তোমাৰ শৰীৰৰ যি ঠাইত বিষ অনুভৱ কৰা, সেই ঠাইত তোমাৰ হাত ৰখা আৰু তিনিবাৰ বিছমিল্লাহ কোৱা, আৰু সাতবাৰ এই দুআ পঢ়া, আউজু বিল্লাহি অক্বুদৰাতিহি মিন শ্বাৰ্ৰি মা আজিদু ওৱা উহাজিৰ।

উছমান বিন আবুল আ-চ আচ্ছাক্বাফী ৰাদ্বিয়াল্লাহু আনহুৱে এবাৰ নবী চাল্লাল্লাহু
আলাইহি অছাল্লামৰ ওচৰত অভিযোগ কৰিলে যে, তেওঁ যেতিয়াৰ পৰা ইছলাম গ্ৰহণ কৰিছে, শৰীৰত বিষ অনুভৱ কৰি আছে। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ "তোমাৰ শৰীৰৰ যি ঠাইত বিষ অনুভৱ কৰা, সেই ঠাইত তোমাৰ হাত ৰখা আৰু তিনিবাৰ
বিছমিল্লাহ কোৱা, আৰু সাতবাৰ এই দুআ পঢ়া, আউজু বিল্লাহি অক্বুদৰাতিহি মিন
শ্বাৰ্ৰি মা আজিদু ওৱা উহাজিৰ।" [ছহীহ] [(মুছলিম)]

উছমান বিন আবুল আ-চ ৰাদ্বিয়াল্লাহু আনহুৱে শৰীৰত অত্যন্ত বিষ অনুভৱ কৰাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহিল। তেখেতে তেওঁক এটা দুআ শিকাই দিলে, যাৰ ফলত তেওঁৰ এই বেমাৰ নিৰাময় হ'ল। সেয়া আছিল এই যে, তেখেতে তেওঁক কৈছিলঃ বিষ অনুভৱ কৰা ঠাইত হাত ৰখা আৰু তিনিবাৰ বিছমিল্লাহ কোৱা, তাৰ পিছত সাতবাৰ এই দুআ পাঠ কৰা। অৰ্থঃ মই সৰ্বশক্তিমান আল্লাহৰ ইজ্জত আৰু ক্ষমতাৰ আশ্ৰয় বিচাৰোঁ, সেই বস্তুৰ অনিষ্টৰ পৰা যিটো মই অনুভৱ কৰি আছোঁ আৰু যিটোৰ আশংকা কৰি আছোঁ। অৰ্থাৎ ভৱিষ্যতৰ ভয়-ভীতি আৰু দুশ্চিন্তাৰ পৰা আশ্ৰয় বিচাৰোঁ, আৰু এই বেমাৰ যাতে গোটেই শৰীৰত বিয়পি নপৰে তাৰ পৰা আশ্ৰয় বিচাৰোঁ।

https://sunnah.global/hadeeth/as/show/6018